# নামনি অসমৰ এক জীৱন্ত পৰিৱেশ্য কলা 'থেৰথেৰীয়া বা কৰ্কাঢুলীয়া'

✍ তুনুকা ৰাভা*

আৰম্ভণি ঃ

লোকসমাজ প্ৰধানতঃ কৃষিভিত্তিক। কৃষিভিত্তিক সমাজ জীৱনৰ লগত জড়িত হৈ আছে-বিভিন্ন বিশ্বাস, আচাৰ-অনুষ্ঠান, বিভিন্ন ধৰ্মীয় পৰম্পৰা তথা লোক মনোৰঞ্জন। কৃষিকাৰ্য্যৰ আৰম্ভণিৰ পৰা আৰম্ভ কৰি শস্য চপোৱালৈকে নাৰী - পুৰুষৰ উৰ্বৰতাজনিত বিবিধ লোকাচাৰ, ধৰ্মীয় পৰম্পৰা ,লোকমনোৰঞ্জন, কৰ্মস্পৃহা বৃদ্ধি আদি বিভিন্ন কাৰকৰ আধাৰতেই গীত, নৃত্য আৰু নাট্যৰ সৃষ্টি হয় ।এই গীত, নৃত্য আৰু লোকনাট্যৰ সমষ্টিয়েই হ'ল লোক পৰিৱেশ্য কলা।

অসম লোকনাট্য পৰম্পৰা ক্ষেত্ৰত এক চহকী ৰাজ্য । লোকনাট্য এক প্ৰকাৰৰ গীত- অভিনয় বা নৃত্য-গীত-বাদ্য আৰু অভিনয়ৰ সমষ্টি । লোক - নাট্যৰ সৃষ্টিৰ মূলতে আছে বিভিন্ন ধৰ্মীয় কৃত্য আৰু উৎসৱ-অনুষ্ঠান ।সাধাৰণতে লোকনাট্যৰ কোনো লিখিত ৰূপ পোৱা নাযায়।অতীজৰে পৰা বৰ্তমানলৈকে বিবিধ লোকনাট্যৰ কাহিনী আৰু ৰূপ অলিখিত ভাৱেই প্ৰবহমান হৈ আহিছে । গঞা সমাজ জীৱনৰ পটভূমিত ৰচিত আৰু কাহিনী আশ্ৰিত চৰিত্ৰ, চৰিত্ৰানুযায়ী সংলাপ, গীত-নৃত্যৰ লগতে লোক বাদ্যৰ সমাহাৰ ঘটোৱা হয়।

---

* অংশকালীন প্ৰৱক্তা, বিকালী মহাবিদ্যালয়, ধূপধৰা

**বিষয়বস্তু ঃ**

লোক -নাট্যৰ পুষ্টি সাধনত ঢুলীয়াৰ অৰিহণা মন কৰিবলগীয়া। 'ঢুলীয়া' পদটো 'ঢোল' পদৰ বিশেষণ ৰূপ, (ঢোল + ঈয়া) অৰ্থাৎ যিয়ে ঢোল বজায় বা ঢোল বজাই জীৱিকা নিৰ্বাহ কৰে। ঢোল প্ৰাচীনতম্ বাদ্যযন্ত্ৰ। নাট্যশাস্ত্ৰত উল্লেখিত চতুঃ প্ৰকাৰ বাদ্যযন্ত্ৰৰ ভিতৰত আৱনদ্ধ বাদ্যযন্ত্ৰ অন্যতম। প্ৰাচীনত্বৰ ফালৰ পৰা ঘনবাদ্যযন্ত্ৰৰ পিছতে আৱনদ্ধ বাদ্যযন্ত্ৰৰ নাম ল'ব লাগিব। নৃতাত্ত্বিক দৃষ্টিভংগীৰ ফালৰ পৰা সহজে কব পাৰি যে ,পৃথিৱীৰ সৰ্বদেশৰ সৰ্ব- সংস্কৃতিত আৱনদ্ধ বাদ্যযন্ত্ৰৰ প্ৰচলন দূৰ অতীতৰ পৰা চলি আহিছে।

অসমীয়া ঢোলৰ পৰম্পৰা অসমীয়া সংগীত কলাৰ সমানে পুৰণি। আকৃতি আৰু সাংযুতিক বৈশিষ্ট্যৰ দিশৰ ফালৰ পৰা অসমীয়া ঢোল কেইটামান শ্ৰেণীত বিভক্ত। যেনে ঃ- দামা অথবা দামামা, গোমুখ, কহাল, কাহিলি, নাগাৰা, পটহ, ভেৰী, দংকা, ভিণ্ডিম, দুন্দুভি, জয়ঢাক, ৰামভেৰী, জয়ঢোল, বৰঢোল, চুঙাঢোল বা ঢেপাঢোল ,দেওঢোল ইত্যাদি। ঢোলৰ লগত ভোৰতাল আৰু কালি অপৰিহাৰ্য। ঢুলীয়া অসমৰ বিভিন্ন অঞ্চলত দেখা যায়।

ঢুলীয়া পৰিৱেশ্য কলা কেৱল ঢোল বজোৱা, গীত আৰু নৃত্য প্ৰদৰ্শনতেই সীমিত নহয়, নাট্যাভিনয় প্ৰদৰ্শন আদিও এই বিধ পৰিৱেশ্য কলাৰ পৰিধিয়ে সামৰি লয় । ঢুলীয়া দলে বিশেষকৈ সভাগোৱা ঢুলীয়াই সাধাৰণতে নৃত্য-গীত-বাদ্য আৰু কুষ্টি প্ৰদৰ্শনৰ পিছত অভিনয় কলাৰো প্ৰদৰ্শন কৰে। নাটক অভিনয়ৰ অনুষংগত ঢুলীয়াই আন আন নাট্যাভিনয়ৰ দৰে পোছাক -পৰিচ্ছদ পৰিধান কৰে আৰু দেহ সজ্জা আদিও কৰে।

অসমৰ প্ৰাচীনতম লোক নাট্যানুষ্ঠানসমূহৰ ভিতৰত কৰ্কাঢুলীয়া অন্যতম ।নামনি অসমৰ বিশেষকৈ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাত বসবাস কৰা পাতিৰাভাসকলৰ লগতে অন্য জনগোষ্ঠীৰ লোকসকলৰ মাজতো এই বিধ পৰিৱেশ্য কলা প্ৰচলিত আছে।

কৰ্কাঢুলীয়া অসমৰ সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ ।প্ৰকৃতাৰ্থত ধৰ্মীয় অনুষংগ সভা-মেল, বিয়াবাৰু আদিত এই বিধ পৰিৱেশ্য কলা পৰিৱেশন কৰা হয়। ইয়াত গানৰ ব্যৱহাৰ নাই তথাপিও বাদ্য-যন্ত্ৰৰ সহায়েৰে সংগীত মধুৰ কৰি তোলে। ঢোল, টাৰ্চাৰ আৰু কাঁহৰ মাতত ঢুলীয়াই হাতৰ মুদ্ৰা আৰু শৰীৰৰ বিভিন্ন অংগ -সঞ্চালনৰ সহায়ত বিভিন্ন ধৰণৰ নৃত্য প্ৰদৰ্শনেৰে অভিনয় কলা সৃষ্টি কৰি জনসমাজত হাঁহিৰ খোৰাক জগাই তোলে।

**কৰ্কাঢুলীয়া শব্দৰ অৰ্থ ঃ**

'কৰ্কা' শব্দৰ অৰ্থ থলুৱা ভাষাত 'খলা -বমা' বা 'দ-বাম ' বা 'উঠা-নমা'। প্ৰাচীন কালত গাঁও অঞ্চলৰ চৰণীয়া পথাৰবোৰ খলা-বমা বা ওখোৰা-মোখোৰা আৰু কৰ্কাবাৰীৰে ভৰপূৰ আছিল। জনবসতি বাঢ়ি অহাৰ লগে লগে এই অঞ্চলবোৰক দা-কোৰেৰে চাফ-চিকুণ কৰি মানুহে জনবসতি স্থাপন কৰিছিল। 'কৰ্কা' শব্দৰ অৰ্থ 'খল-বমা ' বা 'উঠা-নমা' কোৱাৰ লগত সাদৃশ্য জড়িত হৈ আছে কৰ্কাঢুলীয়াই পৰিৱেশন কৰা নেউলা নাচৰ

মাজত । নেউলা নাচত ঢুলীয়াই ঢোলৰ চেৰে চেৰে মাটিত বাগৰি বাগৰি উঠা-নমাকৈ নৃত্য প্ৰদৰ্শন কৰে বাবে এই নাট্যানুষ্ঠানক 'কৰ্কাঢুলীয়া' বোলা হয় ।

**কৰ্কাঢুলীয়াৰ গুৰুত্ব আৰু তাৎপৰ্যঃ**

নামনি অসমত প্ৰচলিত এইবিধ পৰিৱেশ্য কলা নিৰক্ষৰ জনসাধাৰণৰ মাজত অতীজৰে পৰা চলি আহিছে । অসমত প্ৰচলিত যিমানবোৰ কলা-সংস্কৃতি আছে সেইবোৰৰ মাজত এইবিধ পৰিৱেশ্য কলাও অন্তৰ্ভুক্ত হৈ আছে । কাৰণ ইয়াৰ জনপ্ৰিয়তা কম হলেও এইবিধ পৰিৱেশ্য কলাৰ মাজত থলুৱা অসমীয়া সংস্কৃতিৰ এখন সুকীয়া আসন আছে। ঢোলৰ পৰম্পৰা যেনেকৈ কৌটিকুলীয়া পৰম্পৰা ঠিক সেইদৰে এই কলাতো ঢোলৰ ব্যৱহাৰৰ লগতে নৃত্যৰ প্ৰচলন আছে আৰু ইয়াৰ দ্বাৰা হাস্যৰস সৃষ্টি কৰি জনসমাজক আনন্দ প্ৰদান কৰা হয় ।

লোকসমাজত এই বিধ পৰিৱেশ্য কলা জনপ্ৰিয় আৰু প্ৰভাৱশালী যদিও অসমৰ অন্যান্য অঞ্চলত এই অনুষ্ঠানৰ বিষয়ে সম্যক ধাৰণা নাই; তথাপিও কিন্তু কেইবাটাও দিশৰ পৰা এই বিধ কলাৰ তাৎপৰ্য্য আৰু গুৰুত্ব আছে । নামনি অসমৰ জনগোষ্ঠীয় সম্প্ৰদায়ৰ জীৱন্ত পৰম্পৰা এইবিধ পৰিৱেশ্য কলা সাম্প্ৰতিক কালত আন আন পৰিৱেশ্য কলাৰ দৰে উচ্চ আসন লাভ কৰিবলৈ সম্প্ৰতি এই অনুষ্ঠানৰ বিস্তৃত অধ্যয়নৰ গুৰুত্ব আছে বুলি ভবা হৈছে।

**কৰ্কাঢুলীয়াৰ উৎপত্তি আৰু বিকাশ ঃ**

নামনি অসমৰ বিশেষকৈ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ ব্যাপক অঞ্চলত ঘাইকৈ জনজাতীয় লোকসকলে সৰ্পৰ অধিষ্ঠাত্ৰী দেৱী স্বৰূপে মনসা বা বিষহৰি বা বৰমানীক ব্যক্তিগত বা ৰাজহুৱাভাৱে পূজা অৰ্চনা কৰে আৰু ইয়াকে 'মাৰে পূজা' বুলি কোৱা হয়। আদিতে এই পূজা সাত ৰাতি সাত দিন ধৰি চলিছিল। বৰ্তমানে সাত ৰাতি সাত দিনৰ পৰিৱৰ্তে তিনি ৰাতি তিনি দিন বা এৰাতি এদিনহে পালন কৰা দেখা যায়।

ওজাপালি মনসা পূজাৰ লগত জড়িত । পূজাত ওজাপালিয়ে গীত গোৱাৰ লগতে দেওধনীয়ে নৃত্য পৰিৱেশন কৰে আৰু ওজাপালিয়ে গোৱা গীতবোৰক 'মাৰেগীত' বা 'মাৰেগান' বুলি কোৱা হয় । ওজাপালিয়ে মাৰে গানৰ মাজেদিয়ে 'পদ্মাপুৰাণ' ৰ প্ৰতিটো খণ্ডৰ এপদ এপদকৈ গীত গাই যায়। ইয়াৰে বিবাহ খণ্ডত বেউলা-লক্ষীন্দৰৰ বিবাহৰ বৰ্ণনা পোৱা যায় ।

এই বিবাহৰ সময়ত ওজাপালিয়ে ঢোল বজাওতে এক বিশেষ ধৰণৰ শব্দ সৃষ্টি কৰি বজাইছিল আৰু পিছলৈ ইয়াকে কৰ্কাঢোল বোলা হৈছিল । ইয়াৰ উপৰিও মাৰে পূজাত লেংদেও পূজাভাগ দিয়াৰ সময়তো এই ঢোল বজোৱা হয়। 'কৰ্কাঢুলীয়া'ৰ উৎপত্তি সাধাৰণতে মাৰেগানৰ সময়ৰ পৰাই হয় বুলি — এগৰাকী কৰ্কাঢুলীয়া শিল্পীয়ে মন্তব্য

কৰে (সংবাদ দাঁতা শ্ৰীযুত সুভাষ ৰাভা)। বৰ্তমানেও ওজাপালিৰ মাজত অতীতৰ সেই ঢোলৰ পৰম্পৰা আজিও জাকত জিলিকা হৈ আছে । কৰ্কাঢুলীয়া মাৰেগানৰ সময়ৰ পৰাই উৎপত্তি হয় আৰু বৰ্তমানে কৰ্কাঢুলীয়াই ব্যৱহাৰ কৰা ঢোল আৰু মাৰে গানত ওজাপালিয়ে ব্যৱহাৰ কৰা ঢোল প্ৰায় একে। পাৰ্থক্য মাথোন এটাই - বজোৱা ৰীতি।

পিছলৈ এই পৰম্পৰা মাৰে পূজাৰ মাজতে নিহিত নহৈ জনসমাজৰ মাজলৈ বিয়পি পৰিল। অতীতৰ সেই পৰম্পৰা আজিও বিয়া-বাৰু, পূজা -সভা আদিৰ মাজত জিলিকি আছে।

**পৰিৱেশনৰ স্থান আৰু কাল ঃ**

কৰ্কাঢুলীয়া প্ৰধানতঃ বিয়া-বাৰু, পূজা-সভা আদিৰ সৈতে জড়িত, বিবাহ উৎসৱৰ পানী তোলাৰ পৰা আৰম্ভ কৰি শেষ পৰ্বলৈকে কৰ্কাঢুলীয়াই ঢোল বজোৱাৰ লগতে নৃত্যও প্ৰদৰ্শন কৰে । ঠিক সেইদৰে পূজা, সভা আদিতো আৰম্ভণিৰ পৰা শেষলৈ তেওঁলোকৰ পৰ্ব নিয়াৰিকৈ পালন কৰা দেখা যায় ।

**পৰিৱেশন শৈলী ঃ**

কৰ্কাঢুলীয়াই পৰিৱেশনৰ সময়ত তেওঁলোকৰ সাজপাৰ পৰিধান কৰি আৰম্ভণিতে ঢোল আৰু কালি বা চানাই বজায়, তাৰ পিছতহে আন বাদ্যবোৰ সংগত কৰে । বিবাহ উৎসৱ, পূজা-সভা আদিত কৰ্কাঢুলীয়াই বেলেগ বেলেগ ধৰণে পৰিৱেশন কৰে ।

বিবাহ উৎসৱত বজোৱা কৰ্কাঢোলক বাজি বুলি কোৱা হয় । কৰ্কাঢোলৰ বাজিক কেইবাটাও নামেৰে জনা যায়। যেনে ঃ- তামোল কটা বাজি ,তামোল ভগোৱা বাজি, কন্যাকন্দা বাজি, বাটবুলনী বাজি, বিদায়িকী বাজি ইত্যাদি।

ঠিক সেইদৰে, নাচ সমূহকো ভিন্ন নামেৰে জনা যায় । যেনে- কাৱৈ নাচ, দুলিভঙা নাচ, বাটভিটা নাচ , বান্দৰ নাচ, নেউল নাচ ,আদি। বিবাহ উৎসৱত সাধাৰণতে বাটভিটা, নেউল নাচ আদি প্ৰদৰ্শন কৰা হয়। বিবাহ উৎসৱত আগতে কৰ্কাঢুলীয়াই আগস্থান পাইছিল।

নামনি অসমৰ বিশেষকৈ জনজাতীয় সমাজৰ পূজা-সভা আদিত কৰ্কাঢুলীয়াই ঢোল আৰু কাঁহৰ বাদ্য বজাই ৰাইজক সন্মান জনাই আদৰি অনাৰ লগতে সন্মানীয় ৰাইজক নিৰ্দিষ্ট ঠাইত আসন গ্ৰহণ কৰিবলৈ দিয়া হয় ।

**বাদ্যযন্ত্ৰ আৰু ইয়াৰ নিৰ্মাণশৈলী ঃ**

কৰ্কাঢুলীয়াত সাধাৰণতে দুটা ঢোল , এটা টাৰচা, এটা কালি বা চানাই আৰু ঘন্টাৰ নিচিনা এবিধ কাঁহৰ বাদ্য ব্যৱহাৰ কৰে। এই বাদ্যযন্ত্ৰবোৰ সাধাৰণতে আম, মাদল, গামেৰী, চামৰা ইত্যাদিৰে নিৰ্মাণ কৰা হয় । কাঠ বা পিতলেৰে কালি বা চানাই বাদ্য আৰু কাহঁৰ পৰা কাহঁৰ ঘন্টা বাদ্য নিৰ্মাণ কৰে । ঢোলৰ জোখ দীঘলে ২ ফুট ৬ ইঞ্চি আৰু পুতলে ৩ ফুট; টাৰ্চাৰৰ জোখ দীঘলে ১ ফুট আৰু পুতলে ৩ ফুট; চেহনাইৰ জোখ

দীঘলে ১ ফুট ৬ ইঞ্চি আৰু পুতলে ৫/৬ ইঞ্চি আৰু কাঁহৰ বাদ্যৰ জোখ আধা ফুটৰ কম বেছি থাকে। কাঁহৰ বাদ্যবিধ ডাঙৰ-সৰু আছে। কাঁহৰ ঘন্টা বজোৱা আৰু টাৰ্চাৰ বজোৱা মাৰি বোৰ কাঠ বা বাঁহেৰে সাজি লয়।

কৰ্কাঢুলীয়া এটি উল্লেখযোগ্য দিশ হ'ল - ইয়াৰ লগত জড়িত বাদ্যযন্ত্ৰসমূহ। এই বাদ্যবোৰ অতি মনোমোহা। কৰ্কাবাদকবোৰে বাদ্যবোৰ বজাই বিভিন্ন ধৰণৰ শব্দ বা মাতৰ সৃষ্টি কৰে আৰু ঢুলীয়াই বিভিন্ন ধৰণৰ নৃত্য প্ৰদৰ্শন কৰে। সকলো সময়তে সকলোবোৰ বাদ্য পৰিৱেশন কৰা নহয়। কালি বাদ্যবিধ আৰম্ভণিৰ লগতে পূজা অনুষ্ঠানৰ গোসাঁই বৰি বা আদৰি আনিলে আৰু বিবাহ অনুষ্ঠানত কইনা উলিয়াই দিলে বজোৱা হয়। টাৰ্চাৰৰ শব্দ বা মাত 'থেৰ্ থেথেৰ্ থেৰ্' কৈ ওলোৱা বাবে জনসমাজত অঞ্চল বিশেষে এই নাট্যানুষ্ঠানক 'থেৰ থেৰীয়া' বা 'জেৰ্ জেৰীয়া' বুলিও কয়। কৰ্কাঢুলীয়া গীতিমধুৰ নহ'লেও বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰৰ সংযোগত সৃষ্টি হোৱা ইয়াৰ সংগীতময়তা অন্য কলাৰ সমানে চহকী বুলি নিঃসন্দেহে ক'ব পাৰি।

**সাজপাৰ ঃ**

এইবিধ কলাত সাজপাৰৰ ক্ষেত্ৰত বৰ বেছি উন্নত দেখা নাযায়। ঢোল বজাই নচা ঢুলীয়া দুজনে ক'লা সাজপাৰ পিন্ধে আৰু মুখত কৃত্ৰিম গোঁফ লগায়। ক'লা চচমা আৰু মূৰত মণিৰে গাঁথা ক'লা টুপি পিন্ধে। ক'লা লংপেন্ট আৰু ক'লা হাত দীঘল চোলা (চাৰ্ট) পিন্ধি লয়। কাঁহ বজোৱা লোকজনেও ৰং-বিৰঙৰ সাজপাৰ পৰিধান কৰি নিজকে আকৰ্ষণীয় কৰি তোলে যাতে দৰ্শক ৰাইজক হাঁহিৰ খোৰাক জগাব পাৰে। নৃত্য শিল্পীসকলেও ক'লা সাজপাৰ আৰু ভৰিত ঝুনুকা (নেপুৰ) পিন্ধে। নৃত্য পৰিৱেশন নকৰিলেও সচৰাচৰ ক'লা সাজপাৰ যোৰ পিন্ধে। কিন্তু তেওঁলোকৰ পৰিৱেশন অনুযায়ী বাকী সাজপাৰবোৰ পৰিধান কৰে।

**পৰিৱৰ্তন ঃ**

বৰ্তমান বিশ্বায়নৰ যুগৰ পৰিৱৰ্তনৰ লগে লগে এই বিধ পৰিৱেশ্য কলাৰো পৰিৱৰ্তন হোৱা দেখা যায়। এই পৰিৱেশ্য কলাত পুৰণি যিবিলাক গানৰ সুৰ ব্যৱহৃত কৰা হৈছিল সেইবোৰ বৰ্তমান যুগৰ লগত খাপ খুৱাই নতুনত্বৰ সুৰক আকোঁৱালি লৈছে। বাদ্যৰ ক্ষেত্ৰতো কিছু পৰিৱৰ্তন দেখা যায়। কৰ্কাঢুলীয়া সৃষ্টিৰ সময়ত কালি বাদ্যবিধ গছৰ কাঠৰ পৰা তৈয়াৰ কৰা হৈছিল; বৰ্তমানে গছৰ কাঠৰ সলনি পিতলৰ পৰা তৈয়াৰী কালি বা চানাই বাদ্য ব্যৱহাৰ কৰে। কাৰণ সেই বাদ্য তৈয়াৰ কৰা শিল্পীৰ অভাৱ আৰু বৰ্তমানৰ লগত ৰজিতা খুৱাই নতুনত্বৰ পৰিচয় বহন কৰিছে। সমাজ পৰিৱৰ্তনশীল আৰু পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত সংস্কৃতিৰ গতিধাৰা সলনি হোৱাৰ লগে লগে এই কলাৰ প্ৰতি নৱ-প্ৰজন্মই

অনীহা প্ৰকাশ কৰা যেন লাগে । কাৰণ মানুহৰ সময়ৰ অভাৱৰ লগতে আৰ্থিকতাই জৰুলা কৰা এইবিধ পৰিৱেশ্য কলাৰ পৰম্পৰা লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে। তথাপিও নামনি অসমত অঞ্চল বিশেষে এইবিধ কলাৰ জনপ্ৰিয়তা আজিও উজলি আছে।

সামৰণি ঃ

অসমৰ থলুৱা কৃষ্টি সংস্কৃতি অসমী আইৰ কোলাতেই ওপজা আৰু ইয়াৰ গোন্ধ আমাৰ হাড়ে -হিমজুৰে প্ৰৱাহিত হৈ আছে । কৰ্মৰত লোকজীৱনত এই থলুৱা নাচ - গানসমূহ আজিও ৰণিত হৈ আছে আৰু য'ত আজিও সভ্যতাৰ পোহৰে তাত আলোকিত কৰা নাই । সেয়ে এই পৰিৱেশ্য কলাসমূহৰ সমলবোৰক সংৰক্ষণ কৰি ইয়াক সুৰক্ষিত কৰি ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য । এই বিধ পৰিৱেশ্য কলাৰ পৰিৱেশন শৈলীৰ জৰিয়তে হাস্যৰসিক অভিনয় কলাৰ সৃষ্টি কৰি জনসাধাৰণক বিমল আনন্দ প্ৰদানৰ লগতে অসমীয়া সংস্কৃতিত এখন সুকীয়া আসন দাবী কৰিবলৈ সক্ষম হৈছে ।

২০১২ চনত বন্দাপাৰাত অনুষ্ঠিত কৃষ্টি সন্মিলনীত 'কৰ্কাচুলীয়া' নৃত্য উপভোগ কৰি সন্মিলনীত উপস্থিত থকা সমল ব্যক্তিসকলে এই কলাবিধক ৰাভা জনগোষ্ঠীৰ এক আপুৰুগীয়া সম্পদ বুলি অভিহিত কৰে ।

গ্ৰন্থপঞ্জী ঃ

খাখলাৰী, জ্ঞান শংকৰ ঃ লোক সংস্কৃতিত এভুমুকি, ধূপধৰা, গোৱালপাৰা, ১৯৯০
দাস, দীপামণি বৰুৱা ঃ অসমৰ লোক পৰিৱেশ্য কলা (দ্বিতীয় খণ্ড), গুৱাহাটী, ২০১৯
বৰুৱা,ড বিৰিঞ্চি কুমা ৰ - অসমৰ লোক সংকৃতি, বীণা লাইব্ৰেৰী,গুৱাহাটী ২০১২
বৰদলৈ,নিৰ্মলপ্ৰভা -অসমৰ লোক -সংস্কৃতি,বীণা লাইব্ৰেৰী গুৱাহাটী ২০১১
ভৰালী, শৈলেন ঃ অসমীয়া লোক নাট্য পৰম্পৰা, গুৱাহাটী, ১৯৮৪
শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, গুৱাহাটী, ১৯৯৫
শৰ্মা, নবীন চন্দ্ৰ- অসমৰ লোক নাট, বাণী প্ৰকাশক, গুৱাহাটী ২০১৯
শৰ্মা , নবীন চন্দ্ৰ -অসমৰ সাংস্কৃতিক ইতিহাস ( দ্বিতীয় খণ্ড ) অসম সাহিত্য সভা, গুৱাহাটী ২০১৩

তথ্য দাতা ঃ

ৰাভা, সুভাষ - বন্দাপাৰা ( বয়স - ৬৫ বছৰ)
ৰাভা, গণপতি - বন্দাপাৰা ( বয়স - ৫৯ বছৰ)
ৰাভা, তৰণি, বন্দাপাৰা ( বয়স - ৭০ বছৰ)
ৰাভা, কুশল, শাখাতি ( বয়স - ৫৫ বছৰ)